উপ-জাতীয় নিৰাপত্তা উপদেষ্টাৰ নৱম বৈঠক

ভাৰতৰ উদ্যোগত 2026 বৰ্ষৰ 30 ছেপ্টেম্বৰত কলম্বো ছিকিউৰিটি কনক্লেভ অৰ্থাৎ চিএছচিৰ উপ-জাতীয় নিৰাপত্তা উপদেষ্টা পৰ্যায়ৰ নৱম বৈঠকখন ভাৰ্চুৱেলভাৱে অনুষ্ঠিত হয়। বৈঠকখনত বাংলাদেশ, মালদ্বীপ, মৰিছাছ, শ্ৰীলংকা আৰু ছিচিলিছে অংশগ্ৰহণ কৰে।

2. সদস্য ৰাষ্ট্ৰসমূহে 2025 বৰ্ষৰ 20 নৱেম্বৰত ভাৰতৰ নতুন দিল্লীত অনুষ্ঠিত চিএছচিৰ জাতীয় নিৰাপত্তা উপদেষ্টা পৰ্যায়ৰ সপ্তম বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ পুনৰীক্ষণ কৰে। সদস্য ৰাষ্ট্ৰসমূহে ‘ৰোডমেপ ফৰ কো-অপাৰেচন এণ্ড এক্টিভিটিজ (2025-2026)’ ব্যৱস্থাটোও পুনৰীক্ষণ কৰে আৰু সহযোগিতাৰ পাঁচটা মূল স্তম্ভৰ অধীনত প্ৰশিক্ষণ তথা সক্ষমতা বৃদ্ধিৰ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত হোৱা উল্লেখযোগ্য অগ্ৰগতিত সন্তোষ প্ৰকাশ কৰে।

3. সদস্য ৰাষ্ট্ৰসমূহে ভাৰত মহাসাগৰীয় অঞ্চলৰ নিৰাপত্তা সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ বিষয়সমূহত সহযোগিতা অধিক শক্তিশালী কৰাৰ আৰু মানৱীয় সাহায্য তথা দুৰ্যোগ প্ৰশমনৰ ক্ষেত্ৰত নিজৰ দীৰ্ঘদিনীয়া অংশীদাৰিত্ব অব্যাহত ৰখাৰ সংকল্প পুনৰ ব্যক্ত কৰে।

4. বাংলাদেশ গণপ্ৰজাতন্ত্ৰৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ সশস্ত্ৰ বাহিনী বিভাগৰ সঞ্চালক প্ৰধান ব্ৰিগেডিয়াৰ জেনেৰেল মহম্মদ আলী হায়দৰ ছিদ্দিকী, এচবিপি, এনডিচি, এএফডব্লিউচি, পিএছচি, এমফিল, পিএইচডি; ভাৰত গণৰাজ্যৰ উপ-জাতীয় নিৰাপত্তা উপদেষ্টা (কৌশলগত পৰিক্ৰমা) শ্ৰী পৱন কাপুৰ; মালদ্বীপ গণৰাজ্যৰ উপ-জাতীয় নিৰাপত্তা উপদেষ্টা মেজৰ জেনেৰেল হামিদ শ্বাফিগ (অৱসৰপ্ৰাপ্ত); মৰিছাছ গণৰাজ্যৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান সমন্বয়ক (নিৰাপত্তা বিষয়ক) শ্ৰী কে জয়প্ৰকাশ; ছিচিলিছ গণৰাজ্যৰ জাতীয় নিৰাপত্তা উপদেষ্টা শ্ৰী জোৱেল মৰ্গান; আৰু শ্ৰীলংকা গণতান্ত্ৰিক সমাজবাদী গণৰাজ্যৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব (প্ৰতিৰক্ষা) পি ডি ইন্দিকা এল বিজেগুনৱৰ্ধনে নিজ নিজ প্ৰতিনিধি দলক নেতৃত্ব দিয়ে. চিএছচিৰ সচিবালয়ক প্ৰতিনিধিত্ব কৰে কলম্বোৰ শ্ৰীলংকাত দায়িত্বভাৰ গ্ৰহণ কৰা চিএছচিৰ সচিব প্ৰধান উপ-এডমিৰেল এচ এন ঘৰমাদে (অৱসৰপ্ৰাপ্ত)।

নতুন দিল্লী

ছেপ্তেম্বৰ 30, 2026